**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-07-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৫ সংখ্যক কাৰ্গিল বিজয় দিৱস উপলক্ষে কাইলৈ কাৰ্গিল যুদ্ধ স্মাৰক পৰিদৰ্শন কৰাৰ লগতে শ্বিনকুন্ লা সুৰংগ প্ৰকল্পৰ শুভাৰম্ভ কৰিব।

২। কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে দেশৰ জনাদেশক লৈ প্ৰশ্ন উত্থাপন কৰা বুলি বিৰোধীৰ প্ৰতি অভিযোগ তুলিছে।

৩। বিজেপিৰ সাংসদ অভিজিত গংগোপধ্যায়ে সদনত বাজেট সন্দৰ্ভত কৰা মন্তব্যৰ প্ৰতি অধ্যক্ষ ওম বিৰলাই সতৰ্ক কৰি দিয়াৰ লগতে তেওঁক সদনৰ মৰ্যাদা ৰক্ষাৰ বাবে আহ্বান জনায়।

৪। ভাৰতে পেৰিছ অলিম্পিকৰ আনুষ্ঠানিক উদ্বোধনী অনুষ্ঠানৰ এদিন পূৰ্বে আজি নিজৰ অভিযান আৰম্ভ কৰিছে।

আৰু

৫। মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে কাইলৈ হ্বলগীয়া প্ৰথমখন ছেমি ফাইনেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে দ্বিতীয়খন ছেমি ফাইনেলত শ্ৰীলংকা পাকিস্তানৰ মুখামুখি হ’ব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৫ সংখ্যক কাৰ্গিল বিজয় দিৱস উপলক্ষে কাইলৈ কাৰ্গিল যুদ্ধ স্মাৰক পৰিদৰ্শন কৰিব। তেওঁ কৰ্তব্যৰ সময়ত সৰ্বোচ্চ ত্যাগ কৰা সৈনিকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাব। শ্ৰী মোদীয়ে ভাৰ্চুৱেলি শ্বিনকুন্ লা সুৰংগ প্ৰকল্পৰ শুভাৰম্ভ কৰিব। ৪ দশমিক ১ কিলোমিটাৰজোৰা এই সুৰংগ প্ৰকল্প ৮০০ ফুট উচ্চতাত নিমু-পদুম-ডৰ্চাৰ পৰা লেহলৈ সকলো সময়তে উপযোগী হোৱাকৈ নিৰ্মাণ কৰা হ’ব। এই প্ৰকল্প সম্পূৰ্ণ হ’লে ই বিশ্বৰ ভিতৰতে আটাইতকৈ উচ্চত নিৰ্মিত সুৰংগৰূপে চিহ্নিত হ’ব। শ্বিনকুন্ লা সুৰংগই কেৱল যে সৈনিকসকলৰ অস্ত্ৰ-শস্ত্ৰ আৰু গতি-বিধিতে সহায় কৰিব এনে নহয়, বৰং লাডাখৰ আৰ্থিক আৰু সামাজিক উন্নয়নতো ই অৰিহণা যোগাব বুলি আশা কৰা হৈছে।

000000000

কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি দেশৰ জনাদেশক লৈ প্ৰশ্ন উত্থাপন কৰা বুলি বিৰোধীৰ প্ৰতি অভিযোগ তোলে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথোপকথনত শ্ৰী ৰিজিজুৱে কয় যে দেশে সংসদত বাজেট সম্পৰ্কীয় ভাল আৰু তথ্যপূৰ্ণ আলোচনা হোৱাটো বিচাৰে। তেওঁ কয় যে একাংশ দলৰ নেতাৰ ব্যক্তব্যই সদনৰ মৰ্যাদা হানি কৰিছে। তেওঁ জনাদেশক সন্মান কৰিবলৈ বিৰোধীৰ প্ৰতি আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য উত্থাপন কৰি শ্ৰী ৰিজিজুৱে কয় যে বৰ্তমান নিৰ্বাচন শেষ হ’ল আৰু আমি সকলোৱে বিকশিত ভাৰতৰ হকে কাম কৰাৰ লগতে কেন্দ্ৰীয় বাজেট সম্পৰ্কত গঠনমূলক আলোচনা কৰা উচিত। তেওঁ অভিযোগ কৰে যে বিৰোধী নেতাসকলে বাজেট সম্পৰ্কত একো কোৱা নাই। তেওঁলোকে কেৱল ৰাজনীতি কৰিছে আৰু প্ৰধানমন্ত্ৰীক ককৰ্থনা কৰিছে। সংসদীয় পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজনৈতিক দলৰ নেতাসকলে সদস্যসকলক সংসদৰ মজিয়াত হুলস্থূল নকৰি যুক্তিসংগত বিতৰ্কত ভাগ ল’বলৈ আহ্বান জনোৱা উচিত। তেওঁ কয় যে এই বাজেটে ভাৰতক বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে গঢ়ি তুলিবলৈ প্ৰয়াস কৰিছে। এই বাজেটে আন্তঃগাঁথনি, সকলো ক্ষেত্ৰতে মহিলাৰ অংশগ্ৰহণ, নিয়োগ আৰু কৃষকৰ বাবে সুবিধা সৃষ্টি কৰিছে। শ্ৰী ৰিজিজুৱে কয় যে যদি বিৰোধীয়ে এই কথা নুবুজে তেন্তে জনসাধাৰণে তেওঁলোকক শাস্তি দিব। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তৃতীয়বাৰৰ বাবে ক্ষমতালৈ আহিছে জনসাধাৰণৰ বাবে। কিন্তু বিৰোধীয়ে এই জনাদেশ সলনি কৰিবলৈ চেষ্টা কৰিছে।

সংসদীয় পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে বাজেট অধিৱেশনতে বাজেট সম্পৰ্কে আলোচনা হোৱা উচিত। খেতিয়ক আৰু জনগোষ্ঠীয় লোকসকলৰ ক্ষেত্ৰত বাজেটত আগবঢ়োৱা সুবিধাসমূহৰ বিষয়ে আলোচনা নকৰি বিৰোধী পক্ষ কিয় আঁতৰি আছে বুলিও তেওঁ প্ৰশ্ন উত্থাপন কৰিছে।

০০০০০০০০০

লোকসভাত কালি সাধাৰণ বাজেট সম্পৰ্কত চলি থকা আলোচনাত বিজেপিৰ সাংসদ অভিজিত গংগোপধ্যায়ে কৰা মন্তব্যত কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছ দলে আপত্তি কৰে। অভিজিত গংগোপধ্যায় আৰু কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ তৰ্ক-বিতৰ্কৰ সদন সাক্ষী হৈ ৰয়। আজি পুৱাৰ ভাগত নিম্ন সদন মিলিত হোৱাৰ সময়তে কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছৰ সদস্যসকলে বিজেপি সাংসদগৰাকীৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ দাবী জনায়। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে সাংসদগৰাকীয়ে কৰা মন্তব্যই সদনৰ মৰ্যাদা হানি কৰিছে। অধ্যক্ষ ওম বিৰলাইও সাংসদগৰাকীক তেওঁৰ মন্তব্যক লৈ সতৰ্ক কৰি দিয়ে। তেওঁ সদস্যসকলক সদনৰ মৰ্যাদা ৰক্ষা কৰিবলৈ আহ্বান জনায়।

০০০০০০০০০

ভাৰতৰ বতৰ বিজ্ঞান বিভাগে অনাগত কেইদিনমানৰ বাবে দেশৰ পশ্চিম আৰু মধ্য ভাগত প্ৰবলৰ পৰা অতি প্ৰবল বৰষুণৰ পূৰ্বাভাস প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে কয় যে গুজৰাট, কংকন, গোৱা আৰু মহাৰাষ্ট্ৰত কাইলৈপৰ্য্যন্ত অত্যন্ত প্ৰবল বৰষুণ আৰু পাছত প্ৰবলৰ পৰা অতি প্ৰবল বৰষুণ হ'ব। উপকূলীয় কৰ্ণাটক আৰু ওড়িশাৰ বিচ্ছিন্ন স্থানসমূহতো কাইলৈপৰ্য্যন্ত অতি প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। দিল্লীত বতৰ বিজ্ঞান বিভাগে চলিত মাহৰ ২৮ তাৰিখলৈকে মজলীয়া বৰষুণৰ সৈতে আকাশ ডাৱৰীয়া হৈ থাকিব বুলি আগলি বতৰা দিছে।

০০০০০০০০০

ভাৰতে পেৰিছ অলিম্পিকৰ আনুষ্ঠানিক উদ্বোধনী অনুষ্ঠানৰ এদিন পূৰ্বে আজি নিজৰ অভিযান আৰম্ভ কৰিছে। ভাৰতৰ দিপীকা কুমাৰী, অংকিতা ভকত, ভজন কৌৰ, বি ধীৰাজ, তৰুণদ্বীপ ৰায় আৰু প্ৰবীণ যাদৱে আৰ্চাৰীৰ ব্যক্তিগত ৰেংকিং ৰাউণ্ডত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আৰ্চাৰীৰ পৰৱৰ্তী পৰ্যায়ৰ খেলসমূহ অহা ২৮ জুলাইৰ পৰা ৪ আগষ্টলৈ খেলোৱা হ'ব। মহিলাৰ ৰেংকিং ৰাউণ্ডৰ খেলসমূহ ভাৰতীয় সময় অনুসৰি দুপৰীয়া ১ বজাত আৰম্ভ হৈছে আৰু পুৰুষ ৰেংকিং ৰাউণ্ডৰ খেলসমূহ বিয়লি ৫ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব।

০০০০০

অসমৰ শিৱসাগৰ জিলাত ব'লবম উৎসৱত শান্তি-শৃংখলা অটুত ৰখাৰ বাবে ভাৰতীয় দণ্ডবিধিৰ ১৮৮ নম্বৰ অনুচ্ছেদ জাৰি কৰা হৈছে। ব'লবমৰ ভক্তসকলে ব'লবম উৎসৱত সৃষ্টি কৰা বিশৃংখল পৰিৱেশ অসহনীয় উচ্চ প্ৰাবল্যৰ শব্দযন্ত্ৰ ব্যৱহাৰ আদিৰ লগতে শিক্ষানুষ্ঠান, চিকিৎসালয়, বিচাৰালয় আদিৰ কামত বাধাৰ সৃষ্টি হোৱা, অপ্ৰয়োজনীয় চিঞৰ-বাখৰ আৰু জিলাখনত শান্তি-সম্প্ৰীতি অটুত ৰখাৰ স্বাৰ্থত জিলা আয়ুক্তই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰা জাৰি কৰিছে। এই অনুসৰি জিলা প্ৰশাসনৰ পূৰ্ব অনুমতি নোহোৱাকৈ এই উৎসৱৰ সময়ত জিলাখনত ১০ ডেচিবল বা অধিক উচ্চ প্ৰাবল্যৰ শব্দযন্ত্ৰৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে। ব'লবম উৎসৱ উদযাপনৰ সময়লৈকে এই নিৰ্দেশ বাহাল থাকিব। এই নিৰ্দেশ অমান্য কৰিলে ভাৰতীয় দণ্ডবিধিৰ ১৮৮ নম্বৰ অনুচ্ছেদ মতে শাস্তি প্ৰদান কৰা হ'ব।

০০০০০০০০০

গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলে কালি ৰাজ্যখনৰ বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত স্বাস্থ্যমন্ত্ৰী ঋষিকেশ পেটেলে কয় যে চৰকাৰে পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছে।

তেওঁ কয় যে এতিয়ালৈকে ৭খন জিলাৰ ৪,২০০ৰো অধিক লোকক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰা হৈছে, আনহাতে ৫৩৫ জন লোকক উদ্ধাৰ কৰা হৈছে। যোৱা ২৪ ঘণ্টাত ৮ জন লোকৰ মৃত্যু হোৱাৰ পাছত বৰষুণৰ ফলত সংঘটিত হোৱা ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ৬১ লৈ বৃদ্ধি পাইছে। এন ডি আৰ এফৰ মুঠ ১৩টা দলৰ উপৰি এছডিআৰএফৰ ২০টা দল ৰাজ্যৰ বানপীড়িত অঞ্চলত নিয়োগ কৰা হৈছে।

০০০০০০০০০

যোৰহাট সমষ্টিৰ সাংসদ গৌৰৱ গগৈৰে কালি কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নিতিন গাডকাৰীক সাক্ষাৎ কৰে। সংসদত চলিত বৰ্ষাকালীন অধিৱেশনৰ মাজতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সাক্ষাৎ কৰি অসমৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ অৱনতিৰ বিষয়ে আলোচনা কৰে। আলোচনাকালত সাংসদগৰাকীয়ে যোৰহাটৰ পৰা জাঁজীলৈ আৰু ডিব্ৰুগড়ৰ পৰা আগলৈ ঘাইপথটোৰ নিবিদা প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল যদিও তিনিবাৰকৈ বাতিল হোৱাৰ কথা জনায়। সাংসদ গগৈয়ে নিবিদা প্ৰক্ৰিয়াৰ চতুৰ্থ পৰ্যায়ত ইতিবাচক ফলাফলৰ আশাৰে শ্ৰীগাডকাৰীক সাক্ষাৎ কৰি স্মাৰকপত্ৰ প্ৰদান কৰে।

০০০০০০০০

শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে কাইলৈ হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে একেদিনাই হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত শ্ৰীলংকা পাকিস্তানৰ মুখামুখি হ'ব।

আয়োজক দেশ শ্ৰীলংকাই কালি প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত থাইলেণ্ডক ১০ উইকেটত পৰাস্ত কৰে। খেলখনত থাইলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অ'ভাৰত ৭টা উইকেটৰ বিনিময়ত ৯৩ ৰাণ কৰে। থাইলেণ্ডৰ হৈ নন্নাপট কোনচৰোএনকাইয়ে ৫৩টা বলত ৪৭ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। শ্ৰীলংকাৰ কৱিছা দিলহাৰীয়ে দুটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ১১ অ'ভাৰ আৰু তিনিটা বলত এটাও উইকেট নেহেৰুৱাকৈ ৯৪ ৰাণ কৰে। শ্ৰীলংকাৰ হৈ ছমাৰি উথাপথুই ৪৫ আৰু ৰিশ্মি গুণৰত্নেই ৩৯ ৰাণ কৰি আউট নোহোৱাকৈ থাকে।

০০০০০০০০০

**সমাপ্ত**